# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-03-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ৰাজ্যখনৰ এগৰাকী মন্ত্ৰীয়ে এটা সম্প্ৰদায়ৰ প্ৰতি অসন্মানজনক মন্তব্য কৰা বুলি অভিযোগ কৰি বিৰোধী এ আই ইউ ডি এফে  তেওঁৰ পদত্যাগৰ দাবী জনোৱাৰ লগতে মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ প্ৰস্তাৱ উত্থাপনৰ দাবী অধ্যক্ষই প্ৰত্যাক্ষান কৰাক লৈ আজি অসম বিধানসভাত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। আজি সদনত প্ৰশ্নোত্তৰ কালৰ পাছতে এ আই ইউ ডি এফৰ সদস্য ৰফিকুল ইছলাম আৰু অন্যান্যসকলে মন্ত্ৰী অশোক সিংহলে এটা বিশেষ সম্প্ৰদায়ৰ বিৰুদ্ধে কৰা মন্তব্যৰ প্ৰসংগ উত্থাপন কৰে আৰু বিশেষাধিকাৰ ভংগৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ বিচাৰে।  অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ইয়াৰ অনুমতি নিদিয়াত দলটোৰ সদস্যসকলে অধ্যক্ষৰ আসনৰ সন্মুখলৈ উঠি আহি ধ্বনি দিবলৈ ধৰে আৰু সদনত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। এই পৰিস্থিতিত অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ৰাখিবলগীয়া হয়। সদন পুনৰ মিলিত হোৱাৰ পাছত পুনৰ হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হোৱাত অধ্যক্ষই কংগ্ৰেছৰ আব্দুল কালাম ৰছিদ আলম, ৰাইজৰ দলৰ অখিল গগৈ আৰু এ আই ইউ ডি এফৰ আশ্ৰাফুল হকক সদনৰ পৰা বহিষ্কাৰ কৰে। সেই সময়ত সভাপতিৰ আসনত থকা উপাধ্যক্ষ ড০ নোমল মমিনে এয়া সদনৰ ভিতৰৰ বিষয় নহয় বুলি মন্তব্য কৰাত পৰিস্থিতি পুনৰবাৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যায় আৰু ইয়াৰ ফলত সদনৰ কাৰ্যক্ৰমণিকা ২০ মিনিটৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। পাছত সদনৰ কামকাজ পুনৰ আৰম্ভ হোৱাত এ আই ইউ ডি এফৰ বিধায়কসকলে একেটা বিষয়কে লৈ হুলস্থূল কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত দলটোৰ বিধায়কসকলক উপাধ্যক্ষই ১০ মিনিটৰ বাবে সদনৰ পৰা নিলম্বন কৰে।

০০০০০

ৰাজ্যত বৰ্তমানলৈকে ২৭ হাজাৰ ৯৩১ খন নলযোগে পানীযোগান আঁচনি ৰূপায়ণৰ বাবে গ্ৰহণ কৰা হৈছে আৰু ইয়াৰে ১৭ হাজাৰ ৩১৫ খন আঁচনিৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। বিধানসভাত আজি এটা প্ৰশ্নৰ উত্তৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই কথা প্ৰকাশ কৰি কয়, যে এতিয়ালৈকে অসম্পূৰ্ণ হৈ থকা ১০ হাজাৰ ৬১৬ খন জলজীৱন মিছন আঁচনিৰ কামৰ নিৰ্ধাৰিত সময়সীমা আৰু গুণগত মান নিৰ্ণয়ৰ বাবে সাময়িকভাৱে বন্ধ ৰখা হৈছে। কেন্দ্ৰীয় চৰকাৰে জলজীৱন মিছনৰ কাৰ্যকাল ২০২৮ চনলৈকে বৃদ্ধি কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে ৬৭ হাজাৰ কোটি টকাৰ পুঁজিত আবণ্টন দিয়া হৈছে। জলশক্তি মন্ত্ৰালয়ে পুঁজি বিতৰণ ব্যৱস্থাৰ অধীনত চলিত বিত্তীয় বৰ্ষত ৰাজ্যখনৰ বাবে প্ৰয়োজনীয় পুঁজি মোকলাই দিয়াৰ আশ্বাস দিছে বুলি বিভাগীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

গৃহ মন্ত্ৰালয়ৰ ৰাজভাষা বিভাগৰ উদ্যোগত কাইলৈ গুৱাহাটীত পূব আৰু উত্তৰ-পূব ক্ষেত্ৰৰ যুটীয়া আঞ্চলিক ৰাজভাষা সন্মিলন আৰু বঁটা বিতৰণী সমাৰোহৰ আয়োজন কৰা হৈছে। ২০২৪-২৫ বৰ্ষৰ এয়া হৈছে তৃতীয়খন এনেধৰণৰ সন্মিলন। সন্মিলনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে গৃহ পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়, বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া আৰু সাংসদ বিজুলী কলিতা মেধি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত ৰাজভাষা বিভাগৰ সচিবকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশ ল'ব। সন্মিলনত বিভিন্ন চৰকাৰী কাৰ্যালয়, বেংক তথা অন্যান্য প্ৰতিষ্ঠানসমূহত চৰকাৰী ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত কৰা উল্লেখনীয় কামৰ বাবে ৪৮ গৰাকী লোকক বঁটা প্ৰদান কৰা হ'ব।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কৰ্মচাৰীসকলে চাকৰি নিয়মীয়াকৰণৰ দাবীত তিনিদিনীয়া কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰিছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাত ডেৰশৰো অধিক এন এইচ এমৰ স্বাস্থ্যকৰ্মীয়ে হাতে হাতে প্লেকাৰ্ড লৈ গজাৰীকান্দি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত প্ৰতিবাদ কৰে।

বৰপেটা জিলাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল চৌহদত এন এইচ এমৰ স্বাস্থ্যকৰ্মীসকলে এই প্ৰতিবাদৰ জৰিয়তে কেইবাটাও দাবী উত্থাপন কৰে। জিলাখনত ৮৫০তকৈও অধিক এন এইচ এমৰ স্বাস্থ্যকৰ্মী আছে।

০০০০০

মানকাচৰৰ অসম-মেঘালয় সীমান্তৱৰ্তী মহেন্দ্ৰগঞ্জৰ বাহাদুৰ বি এছ এফ কেম্পত আজি ৫০ নম্বৰ বেটেলিয়ানে দিনজোৰা কাৰ্যসূচীৰে এখন নাগৰিক সভা অনুষ্ঠিত কৰে। এই নাগৰিক সভাৰ জৰিয়তে সীমান্তৱৰ্তী কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ সামগ্ৰী বিতৰণ কৰা হয়। এই নাগৰিক সভাতে বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰি ৩০০ৰো অধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰি ঔষধ বিতৰণ কৰা হয়। সীমান্তৱৰ্তী এলেকাত বাস কৰা জনসাধাৰণৰ সৈতে সু-সম্পৰ্ক গঢ়ি তুলি অপৰাধী কাৰ্যকলাপ ৰোধ কৰাৰ লক্ষ্যৰে সীমান্ত সুৰক্ষা বাহিনীয়ে সময়ে সময়ে এনেধৰণৰ নাগৰিক সভা অনুষ্ঠিত কৰি আহিছে।

০০০০০

সমাপ্ত